**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। দেশৰ আভ্যন্তৰীণ আৰু বাহ্যিক সুৰক্ষা প্ৰত্যাহ্বান সমূহৰ মোকাবিলা কৰিব পৰাকৈ বাস্তৱসন্মত প্ৰস্তুতিৰ ওপৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৰুত্ব আৰোপ কৰিছে।

২। দেশত দুগ্ধ উৎপাদন বিগত ১০ বছৰত ৬৩ শতাংশ বৃদ্ধি পোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতে শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে।

৩। সুস্থ নাৰী সবল পৰিয়াল অভিযানৰ অধীনত সমগ্ৰ দেশত এতিয়ালৈ ৯ লাখতকৈ অধিক স্বাস্থ্য শিবিৰ মুকলি কৰা হৈছে।

৪। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে ৰাজ্যখনৰ বাবে সাতখন ৰে'ল গাড়ী চলাচলৰ শুভাৰম্ভ কৰে।

আৰু

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে পাকিস্তানক ৫ উইকেটত পৰাস্ত কৰি নৱমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ জয় কৰে।

ooooooooo

দেশৰ আভ্যন্তৰীণ আৰু বাহ্যিক সুৰক্ষা প্ৰত্যাহ্বান সমূহৰ উচিত ভাবে মোকাবিলা কৰিব পৰাকৈ বাস্তৱসন্মত প্ৰস্তুতিৰ ওপৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি ভাৰতৰ উপকূলৰক্ষী কামাণ্ডাৰৰ সন্মিলনত অংশ লৈ দিয়া ভাষণত শ্ৰী সিঙে কয়, যে প্ৰতিৰক্ষা বাহিনীসমূহ দেশৰ সুৰক্ষাৰ প্ৰতি আহিব পৰা বিভিন্ন ভাবুকি প্ৰতিহত কৰিব পৰাকৈ সাজু হৈ থকা উচিত। তেওঁ কয়, যে বৰ্তমান সময়ত প্ৰত্যাহ্বানসমূহ পৰিৱৰ্তনশীল হোৱা হেতুকে অধিক প্ৰস্তুতিৰ প্ৰয়োজন। তেওঁ লগতে স্বয়ংক্ৰিয় সুৰক্ষা ব্যৱস্থাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী সিঙে কয়, যে বৈদ্যুতিন সমৰসজ্জা সম্প্ৰতিক সময়ত বাস্তৱ সন্মত পন্থা হিচাপে পৰিগণিত হৈছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ দীনদয়াল উপাধ্যায় মাৰ্গত বিজেপিৰ নতুন কাৰ্যালয় উদ্বোধন কৰিব। দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ শচদেৱাই কয়, যে এই নতুন কাৰ্যালয়টো কেৱল এটা কৰ্মস্থলীয়ে নহয় বৰং ই হৈছে দলৰ সংস্কৃতি তথা মূল্যবোধক ইয়াৰ কৰ্মকৰ্তা সকলৰ মাজত পোষণ কৰাৰ এটা কেন্দ্ৰ। তেওঁ এই নতুন কাৰ্যালয়টোৰ উদ্বোধনক দিল্লীত বিজেপিৰ যাত্ৰাৰ এটা ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰে। উদ্বোধনী অনুষ্ঠানত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি দলৰ জ্যেষ্ঠ নেতা, সাংসদ, বিধায়ক, কেন্দ্ৰীয় মন্ত্ৰী তথা কৰ্মকৰ্তা সকল উপস্থিত থাকিব।

ooooooooo

দেশত দুগ্ধ উৎপাদন বিগত ১০ বছৰত ৬৩ শতাংশ বৃদ্ধি পোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত শীৰ্ষ স্থান অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে। ১০ বছৰ পূৰ্বে দুগ্ধ উৎপাদন ১৪৬ নিযুত টনৰ পৰা সম্প্ৰতি ২৩৯ নিযুত টনলৈ বৃদ্ধি হৈছে। ভাৰতে বিশ্বৰ মুঠ দুগ্ধ উৎপাদনৰ এক চতুৰ্থাংশ উৎপাদন কৰি অৰিহণা যোগাই আছে। কেন্দ্ৰীয় মীন পশুপালন আৰু দুগ্ধ মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে দুগ্ধ খণ্ডই দেশৰ অৰ্থনীতিলৈ পাঁচ শতাংশ বৰঙণি যোগোৱাৰ লগতে ৮ কোটিতকৈও অধিক কৃষকক প্ৰত্যক্ষভাৱে সংস্থাপন দিছে। যোৱা দশকটোত প্ৰতিগৰাকী ব্যক্তিৰ বিপৰীতে গাখীৰৰ পৰ্যাপ্ততাও বৃদ্ধি পাইছে। ২০২৩-২৪ বৰ্ষত গাখীৰৰ জনমূৰি যোগান ৪৮ শতাংশ বৃদ্ধি পাইছে। এই বছৰটোত প্ৰতিগৰাকী ব্যক্তিৰ বিপৰীতে ৪৭১ গ্ৰামকৈ গাখীৰ উৎপাদন কৰা হৈছে আৰু এই পৰিমাণ আন্তঃৰাষ্ট্ৰীয় পৰিমাণতকৈ অধিক।

০০০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কৈছে যে, সুস্থ নাৰী সৱল পৰিয়াল অভিযানৰ অধীনত সমগ্ৰ দেশত এতিয়ালৈ ৯ লাখতকৈ অধিক স্বাস্থ্য শিবিৰ মুকলি কৰা হৈছে। নতুন দিল্লীত আয়োজিত এটা স্বাস্থ্য অভিৰ্ৱৰ্তনত শ্ৰী নাড্ডাই কয়, যে দেশৰ তিনি কোটি ৬০ লাখ লোকৰ এতিয়ালৈকে স্বাস্থ্য পৰীক্ষা কৰোৱা হৈছে আৰু ২ অক্টোবৰৰ ভিতৰত এই সংখ্যা বৃদ্ধি পাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ স্বাস্থ্য ক্ষেত্ৰৰ দৃষ্টিভংগী সৰ্বাত্মক হৈ পৰিছে বুলি তেওঁ মতপ্ৰকাশ কৰে।

০০০০০০০০০

দেশৰ বৈদ্যুতিন উৎপাদন খণ্ড পৰৱৰ্তী কেইটামান বছৰত নিয়োগ সৃষ্টিৰ মূল খণ্ড হিচাপে পৰিগণিত হ'ব বুলি বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে। শ্ৰী বৈষ্ণৱে কয়, যে দেশত বৈদ্যুতিন উৎপাদন ব্যৱস্থা দ্ৰুত গতিত বিকশিত হৈছে। প্ৰতি সপ্তাহতে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে বিকাশ লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে আজি ৰাজ্যখনৰ বাবে তিনিখন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'ল গাড়ীকে ধৰি সাতখন ৰে'ল গাড়ী চলাচলৰ শুভাৰম্ভ কৰে। অমৃত ভাৰত এক্সপ্ৰেছ ৰে'ল কেইখনে মুজাফ্ফৰ পুৰৰ পৰা সৰলাপল্লী, দ্বাৰভাংগাৰ পৰা মাদাৰ জংছন আৰু ছাপ্ৰাৰ পৰা আনন্দ বিহাৰ টাৰ্মিনেলক সংযোগ কৰিব। ৰে'ল মন্ত্ৰী শ্ৰী বৈষ্ণৱে আজি নতুন দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আৰু ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে পাটনা জংছনৰ পৰা এই ৰে'ল কেইখনৰ চলাচলৰ শুভাৰম্ভ কৰে। নাৱাদা, ইছলামপুৰ, বক্সাৰ আৰু ঝাঝা নগৰক সংযোগ কৰি চাৰিখন যাত্ৰীবাহী ৰে'লৰো আজি শুভাৰম্ভ কৰা হয়। অমৃত ভাৰত ৰে'ল গাড়ীকেইখনৰ শুভাৰম্ভৰ লগে লগে ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থা উন্নত হ'ব বুলি আশা কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত ৰে'ল মন্ত্ৰী শ্ৰী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰৰ লগতে সমগ্ৰ দেশৰ উন্নয়নৰ বাবে বৃহৎ পৰিকল্পনা লৈছে। প্ৰধানমন্ত্ৰী গৰাকীৰ নেতৃত্বত ৰাজ্যখনত ভালেসংখ্যক ৰে'ল প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে বুলি মন্ত্ৰীগৰাৰীয়ে উল্লেখ কৰে। *(বাইট)*

০০০০০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু  জনসাধাৰণে বৰ্তমান জি এছ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ টি পৰিষদে পূৰ্বৰ

৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ্ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

চৰকাৰে পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰৰ জৰিয়তে কেতবোৰ খাদ্য সামগ্ৰীৰ কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণক সকাহ দিয়াৰ প্ৰয়াস কৰিছে। এই অনুসৰি পিজ্জা, ব্ৰেড, খাখৰা আৰু চাপাটিত থকা জি এছ্ টি পূৰ্বৰ ৫ শতাংশৰ পৰা বৰ্তমান সম্পূৰ্ণৰূপে কৰমুক্ত কৰা হৈছে। একেদৰে পৰঠা আৰু পাৰোতাৰ পৰাও পূৰ্বৰ ১৮ শতাংশ জি এছ্ টি বৰ্তমান সম্পূৰ্ণৰূপে ৰাহি কৰা হৈছে। তদুপৰি চচ আৰু মেয়নিজৰ দৰে সামগ্ৰীৰ জি এছ্ টি ১২ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিছে। জনসাধাৰণৰ দৈনন্দিন ব্যয় ৰাহি কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছে। জনসাধাৰণক সুলভ খাদ্য, দৈনিক পৰিপুষ্টি নিশ্চিত কৰাৰ উপৰি পৰিয়ালসমূহক আৰ্থিক সকাহ প্ৰদানৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনাৰ অধীনত জম্মু আৰু কাশ্মীৰৰ কিস্তৱাৰ জিলাত অভিলাষী কৃষি জিলা হিচাপে বাছনি কৰা হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই পদক্ষেপে আওহতীয়া অঞ্চলটোত কৃষি খণ্ডক উৎসাহিত কৰাৰ লগতে কৃষি উদ্যমীসকলকো সহায় কৰিব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বৰ্ষৰ বাজেটত ছবছৰৰ বাবে দেশৰ ১০০ খন অভিলাষী কৃষি জিলা বিকশাই তোলাৰ কথা ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা অহা মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। নিম্ন শস্য উৎপাদনৰ পৰিমাণকে ধৰি কেইবাটাও বিষয়ৰ ওপৰত লক্ষ্য ৰাখি অভিলাষী কৃষি জিলাসমূহ বাচনি কৰা হৈছে।

০০০০০০০০০

ভিয়েটনামত **টাইফুন বুৱালয়**ৰ ফলত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৭ জন লোক সন্ধানহীন হৈছে। ভিয়েটনামৰ বতৰ বিজ্ঞান সংস্থাই প্ৰকাশ কৰা মতে আজি পুৱাৰ ভাগত এই বতাহজাকে দেশখনৰ উত্তৰ অঞ্চলৰ কেন্দ্ৰীয় উপকূলৰ দিশে গতি কৰাৰ ফলত সমুদ্ৰৰ ঢৌ ৮ মিটাৰ পৰ্যন্ত ওপৰলৈ উঠে। দেশখনৰ ১৭ গৰাকী মাছমৰীয়া সন্ধানহীন হৈ থখা বুলি জানিব পৰা গৈছে। দেশখনত বিমান বন্দৰসমূহ বন্ধ কৰি দিয়াৰ লগতে ২৮ হাজাৰ ৫০০ ৰো অধিক লোকক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰোৱা হৈছে। এদিন পূৰ্বে ফিলিপাইনছত টাইফুনৰ ফলত প্ৰচণ্ড ধুমুহা-বৰষুণত কমেও ১০ জন লোকৰ মৃত্যু হৈছিল। দেশখনৰ বতৰ বিজ্ঞান সংস্থাটোৱে জনোৱা মতে ইয়াৰ ফলত প্ৰচণ্ড ধুমুহা, প্ৰবল বৰষুণ, আকস্মিক বান, ভূমিস্খলনকে ধৰি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ আশংকা কৰা হৈছে। ভিয়েটনাম চৰকাৰে দা নাং আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰকে ধৰি চাৰিটা উপকূলীয় বিমান বন্দৰৰ পৰা শতাধিক বিমানৰ চলাচল বাতিল কৰাৰ উপৰি কেইবাখনো বিমানৰ সময় সলনি কৰিছে।

০০০০০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে তিলক বাৰ্মাৰ আকৰ্ষণীয় বেটিঙৰ সহায়ত পাকিস্তানক ৫ উইকেটত পৰাস্ত কৰি নৱমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ জয় কৰে। ভাৰতে ১৪৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ ৪টা বলত ৫ উইকেটৰ বিনিময়ত ১৫০ ৰান কৰে। ভাৰতৰ হৈ তিলক বাৰ্মাই ৬৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। শিৱম ডুবেই ৩৩ আৰু সঞ্জু ছেমছনে ২৪ ৰানৰ বৰঙণি আগবঢ়ায়। পাকিস্তানৰ হৈ

ফাহিম আশ্ৰফে ৩টা উইকেট দখল কৰাৰ লগতে শ্বাহিন আফ্ৰিদি আৰু আব্ৰাৰ আহমেদে এটাকৈ উইকেট লাভ কৰে।

oooooooooo

সমাপ্ত